Total No. of Printed Pages—7

**HS/XII/A. Sc. Com/A/19**

**2 0 1 9**

**ASSAMESE**

**( Modern Indian Language )**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (প্ৰতিটো প্ৰশ্নৰ উত্তৰ **এটা** বা **দুটা** শব্দেৰে) : ১×১০=১০

(ক) ইটালীৰ কোনখন মহানগৰত ডান্টেৰ জন্ম হৈছিল ?

(খ) নাৰদ কাৰ পুত্ৰ ?

(গ) ভবানন্দ পাঠক ছদ্মনামেৰে অসমীয়া সাহিত্যত কোন সাহিত্যিকে সাহিত্য ৰচনা কৰিছিল ?

(ঘ) 'নাটঘৰ' কবিতাটো কোনখন গ্ৰন্থৰ পৰা তুলি লোৱা হৈছে ?

(ঙ) ড০ ভবেন্দ্ৰনাথ শইকীয়া সম্পাদিত এখন শিশু আলোচনীৰ নাম লিখা ।

(চ) 'মহাভাৰত' কোনে ৰচনা কৰিছিল ?

(ছ) ইন্দ্ৰদ্যুম্ন কোন বংশৰ ৰজা আছিল ?

(জ) সীতাৰ মাকৰ নাম কি ?

(ঝ) অমূল্য বৰুৱাৰ জন্ম চনটো লিখা ।

(ঞ) 'চিৰাজ' নাটকৰ নাট্যকাৰৰ নাম কি ?

২ । শুদ্ধ নে অশুদ্ধ লিখা : ১×৫=৫

(ক) ইটালী দেশত চণ্ডীদাসৰ জন্ম হৈছিল ।

(খ) 'উভতি নহাৰ কবিতা'টোত কবিয়ে পুনৰ পৃথিৱীলৈ উভতি আহিব বিচৰা নাই ।

(গ) বৰ্ণবোধ শব্দটোৰ অৰ্থ আখৰৰ ধাৰণা ।

(ঘ) মহাপুৰুষ শংকৰদেৱৰ সাহিত্যিক প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন হ'ল 'নাম-ঘোষা' ।

(ঙ) সাবিত্ৰীৰ বাপেক নিউমোনিয়া বেমাৰত ঢুকাইছিল ।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দেৰে খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা : ১×৫=৫

(ক) ______নামতো সিহঁতে পায় মহামাৰীৰ বীজ।

(খ) কবিৰ মনত প্ৰেম আৰু ______ অভিন্ন পদাৰ্থ।

(গ) জগতৰ ক্ৰান্তিবোৰৰ ______ আছিল সাহিত্য।

(ঘ) সসীমৰ ৰূপ তৃষ্ণা অসীমত বুৰ যাব খহি গলে জৰী ______।

(ঙ) ______ মোৰ জীয়াই থকাৰ মন্ত্ৰ।

SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ উত্তৰ-বহীত লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) মহাকবি ডান্টে কি কাৰণে স্বদেশৰ পৰা নিৰ্বাসিত হৈছিল? ৩

(খ) ইতিহাস, দৰ্শন, অৰ্থশাস্ত্ৰ আদিৰ সৈতে সাহিত্যৰ পাৰ্থক্য কি? ৩

(গ) ভাগৱতৰ মতে নাৰদৰ চৰিত্ৰ কেনেধৰণৰ, চমুকৈ লিখা। ৩

(ঘ) 'অসমীয়া বৈষ্ণৱ কবিৰ নাৰদ' প্ৰবন্ধৰ সহায়ত পাৰিজাত ফুলপাহৰ মহিমা চমুকৈ বৰ্ণনা কৰা। ৩

(ঙ) 'নাটঘৰ' কবিতাটোৰ কবি কোন? ইয়াত কবিয়ে সংসাৰ আৰু মানুহক কি ৰূপে কল্পনা কৰিছে? ১+১+১=৩

(চ) চিত্ৰলেখা কোন আছিল? তেওঁ কি বিদ্যাত পাৰ্গত আছিল ? তেওঁ কি কাৰ্য সম্পন্ন কৰিছিল? ১+১+১=৩

(ছ) নৰকান্ত বৰুৱাৰ 'উভতি নহাৰ কবিতা' কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে? পৃথিৱীলৈ কবিৰ বাণী কি? ১+২=৩

(জ) 'চিৰাজ' নাটকৰ সীতাৰ আন এটা নাম কি? সীতাৰ মাক আৰু দেউতাকৰ নাম দুটা লিখা। ১+১+১=৩

(ঝ) ''চতুৰংগ সেনা লৈ আসোক সত্বৰ।'' চতুৰংগ সেনা কি কি? ৩

(ঞ) ''জীৱনৰ ভাও লৈ লাগিছে ভাগৰ আজি।'' কথাষাৰ কোনে, কি কাৰণে কৈছিল? ১+২=৩

(ট) পঞ্চামৃত কি কি? ৩

(ঠ) 'বৰ্ণবোধ' গল্পৰ জয়ন্তী কোন? জয়ন্তীৰ ককায়েক দুজনে কি কাম কৰিছিল? ১+২=৩

(ড) ড০ ভবেন্দ্ৰনাথ শইকীয়াই সাহিত্য অকাডেমী বঁটা পোৱা গল্প-সংকলনখনৰ নাম কি? তেওঁ ৰচনা কৰা দুখন উপন্যাসৰ নাম লিখা। ১+২=৩

(ঢ) ''ফুলনিতকৈ ফুল চিঙিথকাজনী আৰু ধুনীয়া।''
উক্ত কথাষাৰ কোনে, কি প্ৰসংগত কৈছে? ১+২=৩

## ( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) "পুৰণি অসমীয়া সাহিত্যত নাৰদ এটি আমোদী চৰিত্ৰ।" ৰচনাখনিৰ আধাৰত এই কথাষাৰৰ যথাৰ্থতা বিশ্লেষণ কৰা। ৭

(খ) সাহিত্য মানে কি? সাহিত্যৰ সম্বন্ধ ঘাইকৈ কাৰ লগত, বহলাই আলোচনা কৰা। ৩+৪=৭

(গ) প্ৰসঙ্গ-সংগতি দৰ্শাই ব্যাখ্যা কৰা: ৭

"জয়ন্তীৰ মনটো উৰুঙা উৰুঙা লাগিল। বিয়াখনৰ লগত তাইৰ কোনো সম্পৰ্ক নাছিল, কিন্তু তাৰ ঘৰটোৰ বাহিৰেও আহল-বহল ৰভা আছিল; কিয় জানো তাই ক'ব নোৱাৰে সেই মুকলি ৰভাবোৰ তাইৰ ভাল লাগিছিল।"

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) 'উভতি নহাৰ কবিতা'টোৰ মূল ভাৱ লিখা।

(খ) প্ৰসঙ্গ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

"কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ।"

(গ) ইন্দ্ৰদ্যুম্ন ৰজাই আয়োজন কৰা অশ্বমেধ যজ্ঞস্থলীৰ এটি বৰ্ণনা দিয়া।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) সাম্প্ৰদায়িক সম্প্ৰীতিৰ ক্ষেত্ৰত 'চিৰাজ' নাটকৰ ভূমিকা সম্পৰ্কে এটা টোকা লিখা। ৬

(খ) 'চিৰাজ' নাটকত থকা চিৰাজ চৰিত্ৰটো বিশ্লেষণ কৰা। ৬

(গ) 'চিৰাজ' নাটকত চিত্ৰিত তোমাৰ ভাল লগা যি কোনো দুটা পুৰুষ চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱা। ৩+৩=৬

**( ব্যাকৰণ ভাগ )**

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) যি পুৰুষৰ ঘৈণীয়েক মৰিছে।

(খ) যি শক্তিক উপাসনা কৰে।

(গ) বৰষুণ নোহোৱা বতৰ।

(ঘ) গোটেই জীৱনব্যাপী।

(ঙ) শৰৎ কালত হোৱা অনুষ্ঠান।

(চ) যি দুয়োটা চকুৰে নেদেখে।

(ছ) ধান থোৱা ঘৰ।

৯। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৪

(ক) আপোন ভালে জগত ভাল।

(খ) অধিক মাছত বগলী কণা।

(গ) হস্তীৰো পিচলে পাৱ সজ্জনৰো বুৰে নাও।

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য ৰচনা কৰা (যি কোনো **তিনিটা**) : ১×৩=৩

পানীত হাঁহ নচৰা ; হাত লৰ ; হিয়াৰ আমঠু ; অমাতৰ মাত ; ধোদৰ পচলা ; গাই বাই চা।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **চাৰিটা**) : ১×৪=৪

লিখক ; নাচনী ; ৰান্ধনি ; জাননী ; পলৰীয়া ; বুদ্ধিয়ক ।

১২। কাৰক কাক বোলে ? ই কেই প্ৰকাৰৰ আৰু কি কি ? ২+৩=৫

১৩। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ

(খ) তোমাৰ জীৱনৰ লক্ষ্য

(গ) তোমাৰ এটি ভ্ৰমণ কাহিনী

(ঘ) বিজ্ঞানৰ অৱদান

★★★